প্ৰযুক্তি

ভাৰতৰ নিজা GPS ব্যৱস্থা শক্তিশালী কৰিবলৈ ISROৰ NVS-03 উপগ্ৰহ উৎক্ষেপণ

ভাৰতৰ নিজা নেভিগেচন ব্যৱস্থা NavIC শক্তিশালী কৰিবলৈ ISROই সফলতাৰে NVS-03 উপগ্ৰহ উৎক্ষেপণ কৰিছে। শুকুৰবাৰে নিশা শ্ৰীহৰিকোটাৰ পৰা GSLV-F18 ৰকেটৰ জৰিয়তে উপগ্ৰহটো উৎক্ষেপণ কৰা হয়। দেশীয় পাৰমাণৱিক ঘড়ী আৰু নতুন L1 সংকেত এই উপগ্ৰহৰ অন্যতম বিশেষত্ব। ভাৰতৰ লগতে সীমান্তৰ পৰা প্ৰায় ১,৫০০ কিলোমিটাৰ দূৰলৈ নেভিগেচন সেৱা প্ৰদানৰ লক্ষ্য আছে NavICৰ।

প্ৰকাশ: ৩১ অক্টোবৰ ২০২৬, দুপৰীয়া ১:৪৭

(NewzNow)

নতুন দিল্লী, ৩১ অক্টোবৰঃ ভাৰতৰ নিজা উপগ্ৰহ-ভিত্তিক নেভিগেচন ব্যৱস্থা NavIC অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে Indian Space Research Organisation (ISRO)-এ সফলতাৰে উৎক্ষেপণ কৰিলে NVS-03 উপগ্ৰহ। শুকুৰবাৰে নিশা ১১ বাজি ৫১ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ দ্বিতীয় উৎক্ষেপণ মঞ্চৰ পৰা GSLV-F18 ৰকেটৰ জৰিয়তে উপগ্ৰহটো উৎক্ষেপণ কৰা হয়।

প্ৰায় ২,২৩২ কিলোগ্ৰাম ওজনৰ NVS-03 উপগ্ৰহটোক নিৰ্ধাৰিত Geosynchronous Transfer Orbit (GTO)ত স্থাপন কৰিবলৈ সক্ষম হয় ISRO। এই উৎক্ষেপণ GSLV ৰকেটৰ ২০সংখ্যক অভিযান।

© 2026 NewzNow

NVS-03 হৈছে ISROৰ দ্বিতীয় প্ৰজন্মৰ নেভিগেচন উপগ্ৰহ শৃংখলাৰ তৃতীয়টো উপগ্ৰহ। ভাৰতৰ নিজা নেভিগেচন ব্যৱস্থা Navigation with Indian Constellation (NavIC)-ৰ সেৱাৰ ধাৰাবাহিকতা বজাই ৰখা আৰু ইয়াৰ কাৰ্যক্ষমতা বৃদ্ধি কৰাই এই অভিযানৰ মূল লক্ষ্য।

কি বিশেষত্ব আছে NVS-03ত?

এই উপগ্ৰহটোৰ অন্যতম বিশেষত্ব হৈছে ইয়াত সংযোজন কৰা দেশীয়ভাৱে নিৰ্মিত পাৰমাণৱিক ঘড়ী। ইয়াৰ লগতে ক্ৰয় কৰা আন পাৰমাণৱিক ঘড়ীও আছে। উপগ্ৰহটোৱে বৰ্তমানৰ L5 আৰু S বেণ্ডৰ উপৰি নতুনকৈ L1 সংকেত প্ৰেৰণ কৰিব L1 বেণ্ড সংযোজনৰ ফলত NavIC ব্যৱস্থাৰ সৈতে আধুনিক নেভিগেচন গ্ৰহণকাৰী যন্ত্ৰৰ সামঞ্জস্য বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

পাৰমাণৱিক ঘড়ীয়ে অতি নিখুঁত সময় নিৰ্ধাৰণত সহায় কৰে। উপগ্ৰহৰ পৰা প্ৰেৰণ কৰা সংকেত গ্ৰহণ কৰিবলৈ লগা সময়ৰ ভিত্তিত ব্যৱহাৰকাৰীৰ অৱস্থান নিৰ্ণয় কৰা হয়। সেয়েহে উপগ্ৰহ-ভিত্তিক নেভিগেচন ব্যৱস্থাত এনে ঘড়ীৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ।

কি কামত আহিব NavIC?

NavIC হৈছে ভাৰতৰ নিজা আঞ্চলিক উপগ্ৰহ নেভিগেচন ব্যৱস্থা। ইয়াৰ জৰিয়তে ভাৰতৰ ভূখণ্ডৰ লগতে দেশৰ সীমাৰ পৰা প্ৰায় ১,৫০০ কিলোমিটাৰ দূৰত্বলৈ অৱস্থান, দিশ নিৰ্ণয় আৰু সময় সম্পৰ্কীয় সেৱা প্ৰদানৰ লক্ষ্য ৰখা হৈছে।

যাতায়াত, সামুদ্ৰিক পৰিবহণ, দুৰ্যোগ ব্যৱস্থাপনা, কৃষি, নিৰাপত্তা আৰু বিভিন্ন কৌশলগত ক্ষেত্ৰত এই ব্যৱস্থা ব্যৱহাৰ কৰিব পৰা যাব। ইয়াৰ ফলত নেভিগেচনৰ ক্ষেত্ৰত বিদেশী ব্যৱস্থা, বিশেষকৈ আমেৰিকাৰ GPSৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ দিশত ভাৰতে আগবাঢ়িব পাৰিব।

ISROৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে অভিযানটোৰ সৈতে জড়িত বিজ্ঞানী, অভিযন্তা, উদ্যোগিক অংশীদাৰ আৰু শিক্ষানুষ্ঠানসমূহক অভিনন্দন জনায়। তেওঁ কয় যে GSLVৰ দুটা ক্ৰমাগত অভিযানৰ মাজৰ ব্যৱধান মাত্ৰ ৫৬ দিন, যিটো এতিয়ালৈকে এই ৰকেটৰ ক্ষেত্ৰত সৰ্বনিম্ন সময়ৰ ব্যৱধান।

উল্লেখ্য যে, NVS-03 উপগ্ৰহটো নিৰ্ধাৰিত কক্ষপথত স্থাপন কৰাটো সফল উৎক্ষেপণৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়। অৱশ্যে সম্পূৰ্ণ নেভিগেচন সেৱাৰ বাবে উপগ্ৰহটোৰ পৰৱৰ্তী কক্ষপথ পৰিৱৰ্তন, পৰীক্ষা আৰু কাৰ্যক্ষমতা নিশ্চিত কৰাৰ প্ৰয়োজন হ’ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/125/isro-nvs-03-navic-satellite-launch-mobile-integration